**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তেওঁৰ পৰ্টুগাল আৰু শ্ল’ভাকিয়া ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজি লিছবনত উপস্থিত হয়।

২। ভাৰতকে ধৰি সমগ্ৰ বিশ্বতে আজি বিশ্ব স্বাস্থ্য দিৱস পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দিৱসৰ সৈতে সংগতি ৰাখি এখন সুস্থ পৃথিৱী গঢ়াৰ প্ৰতিশ্ৰুতি পুনৰ প্ৰকাশ কৰিছে।

৩। প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত বৰ্তমানলৈ ৩২ লাখ কোটি টকাতকৈও অধিক পৰিমাণৰ ঋণ প্ৰদান কৰা হৈছে।

৪। নতুন দিল্লীত আজি নৌসেনা কমাণ্ডৰ সন্মিলন ২০২৫ৰ প্ৰথম সংস্কৰণৰ দ্বিতীয় অংশ আৰম্ভ হৈছে।

আৰু

৫। ফ্ৰান্সত অনুষ্ঠিত মণ্টে-কাৰ্ল’ মাষ্টাৰ্ছ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ দ্বৈত শাখাত ভাৰতৰ ৰোহণ বোপান্নাই প্ৰি কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰিছে।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তেওঁৰ পৰ্টুগাল আৰু শ্ল’ভাকিয়া ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজি লিছবনত উপস্থিত হয়। এই ভ্ৰমণকালত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে পৰ্টুগালৰ ৰাষ্ট্ৰপতি মাৰ্ছেলো ৰেবেলো ডি ছুচাক সাক্ষাৎ কৰিব আৰু প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ’ব। শ্ৰীমতী মুৰ্মুৱে পৰ্টুগালৰ প্ৰধানমন্ত্ৰী লুইচ মণ্টেনিগ্ৰো আৰু নেচনেল এছেম্বলিৰ অধ্যক্ষ জোছ পেড্ৰ’ অগুইৰ ব্ৰেংকোক সাক্ষাৎ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ সন্মানাৰ্থে লিছবনৰ মেয়ৰগৰাকীয়ে আজি এটা বিশেষ অনুষ্ঠানৰো আয়োজন কৰিছে।

এই ভ্ৰমণৰ পৰৱৰ্তী পৰ্যায়ত ৰাষ্ট্ৰপতিগৰাকী শ্লোভাকিয়ালৈ ৰাওনা হ’ব। ভ্ৰমণকালত তেওঁ শ্লোভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিণি আৰু প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকোৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ’ব। পৰ্টুগালত ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতীয় সম্প্ৰদায়ৰ সদস্যসকলক সাক্ষাৎ কৰাৰ লগতে বিভিন্ন বিশ্ববিদ্যালয় আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ একাংশ ভাৰতীয় গৱেষকৰ সৈতেও মত বিনিময় কৰাৰ সম্ভাৱনা আছে।

এইবছৰ ভাৰত আৰু পৰ্টুগালৰ মাজত কূটনৈতিক সম্পৰ্কৰ পুনৰ স্থাপনৰ ৫০ বছৰ পূৰ্তি উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেশখন ভ্ৰমণ কৰিব। ২৭ বছৰ পাছত এয়া হ’ব এগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতিৰ পৰ্টুগাল ভ্ৰমণ।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ শ্লোভাকিয়া ভ্ৰমণে ভাৰত আৰু শ্লোভাকিয়াৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ লগতে সম্প্ৰসাৰিত কৰিব। পৰ্টুগাল আৰু শ্লোভাকিয়া ভ্ৰমণৰ জৰিয়তে ইউৰোপীয় সংঘৰ সৈতে ভাৰতৰ সম্পৰ্ক শক্তিশালী হ’ব বুলিও আশা কৰা হৈছে।

ooooooooo

আজি বিশ্ব স্বাস্থ্য দিৱস। জনসাধাৰণৰ মাজত স্বাস্থ্য সচেতনতা বঢ়োৱাৰ উদ্দেশ্যে সমগ্ৰ বিশ্বতে আজি বিশ্ব স্বাস্থ্য দিৱস পালন কৰি অহা। প্ৰতিবছৰে এই দিনটোতে বিশ্ব স্বাস্থ্য দিৱস পালন কৰি স্বাস্থ্য সংক্ৰান্তীয় এটা বিশেষ বিষয় সন্দৰ্ভত মানুহৰ মাজত সচেতনতা সৃষ্টিৰ প্ৰয়াস চলোৱা হয়। ১৯৪৮ চনৰ আজিৰ এই দিনটোতেই বিশ্ব স্বাস্থ্য সংস্থাৰ জন্ম হৈছিল। এই বছৰৰ বিশ্ব স্বাস্থ্য দিৱসৰ প্ৰতিপাদ্য বিষয়বস্তু হৈছে- **স্বাস্থ্যৱান আৰম্ভণি, আশাপূৰ্ণ ভৱিষ্যৎ**। এই বিষয়টোৰ জৰিয়তে বিভিন্ন ৰোগ, মানসিক স্বাস্থ্যৰ প্ৰত্যাহ্বান সম্পৰ্কে সচেতনতা সৃষ্টি আৰু সমগ্ৰ বিশ্বতে স্বাস্থ্যক অগ্ৰাধিকাৰ দিয়াৰ চেষ্টা কৰা হৈছে। প্ৰতিবছৰে বিশ্ব স্বাস্থ্য সংস্থাই এই দিৱসৰ বাবে এটা বিশেষ বিষয়ত আলোকপাত কৰে। ১৯৫০ চনত বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বাৰা প্ৰথমবাৰৰ বাবে এই দিৱস উদযাপন কৰা হৈছিল। ইয়াৰ পাছত স্বাস্থ্যৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ আৰু মনোযোগ আকৰ্ষণৰ বাবে প্ৰতিবছৰে এই দিৱস পালন কৰি অহা হৈছে।

oooooo

আজি বিশ্ব স্বাস্থ্য দিৱস। বিশ্ব স্বাস্থ্য দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সুস্থ পৃথিৱী গঢ়াৰ প্ৰতিশ্ৰুতি পুনৰ প্ৰকাশ কৰিছে। তেওঁ কয়, যে জনতাৰ মংগলৰ বাবে চৰকাৰে স্বাস্থ্যসেৱাত গুৰুত্ব অব্যাহত ৰাখিব। সুস্বাস্থ্য প্ৰতিখন সমৃদ্ধিশালী সমাজৰ ভেটি বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে শেহতীয়া প্ৰতিবেদন অনুসৰি ২০৫০ চনৰ ভিতৰত ৪৪ কোটি ভাৰতীয় মেদবহুলতাত ভুগিব। তেওঁ জনসাধাৰণক খাদ্যত কমেও ১০ শতাংশ তেল হ্ৰাস কৰাৰ লগতে ব্যায়ামক দৈনিক জীৱনৰ অংশ হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়। এই প্ৰচেষ্টাসমূহ বিকশিত ভাৰতৰ যাত্ৰাত প্ৰতিজন নাগৰিকৰ সমূহীয়া অৱদান হ'ব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

0000000

দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো বিশ্ব স্বাস্থ্য দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰা হৈছে। ৰাজ্যখনৰ পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ কপিলী মহাবিদ্যালয়ত স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। মানৱ কল্যাণ সেৱা সংস্থাৰ সৌজন্যত ডিব্ৰুগড় জিলা স্বাস্থ্য বিভাগ আৰু ডিব্ৰুগড় লায়ন্স ক্লাবৰ সহযোগত জকাই ছাবিশঘৰীয়া অঞ্চলত এটা বিনামূলীয়া স্বাস্থ্য সেৱাৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত ডাঃ প্ৰণিত কুমাৰ চৌধুৰী, ডাঃ অলক বৰুৱাকে ধৰি কেইবাজনো অভিজ্ঞ চিকিৎসকে বহুসংখ্যক লোকক বিনামূলীয়া চিকিৎসা প্ৰদান কৰে।

0000000

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ জয়শংকৰ আজি পুৱা ফিজিৰ স্বাস্থ্যমন্ত্ৰী ডাঃ ৰাটু এণ্টনিঅ' ৰবিচি লালাবালাভুৰ সৈতে এখন বৈঠকত মিলিত হয়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ড° জয়শংকৰে প্ৰকাশ কৰা মতে এই বৈঠকত তেওঁলোকে দুয়োখন দেশৰ মাজত স্বাস্থ্য আৰু চিকিৎসা খণ্ডৰ সহযোগিতাৰ বিষয় লৈ আলোচনা কৰে।

000000000

প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত বৰ্তমানলৈ ৩২ লাখ কোটি টকাতকৈও অধিক পৰিমাণৰ ঋণ প্ৰদান কৰা হৈছে। ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ প্ৰতিষ্ঠানলৈ ১০ লাখ টকা পৰ্যন্ত ঋণ আগবঢ়োৱাৰ উদ্দেশ্যে ২০১৫ চনত আৰম্ভ কৰা এই আঁচনিৰ জৰিয়তে ঋণ গ্ৰহণ কৰা লোকৰ সংখ্যা সম্প্ৰতি ৫২ কোটিৰো অধিক হৈছেগৈ। সামগ্ৰিকভাৱে বিত্তীয় সহায়ৰ ব্যৱস্থাক সাঙুৰি লৈ এনে প্ৰতিষ্ঠানসমূহৰ সৰলীকৰণৰ লক্ষ্যৰে আগবঢ়োৱা ঋণসমূহক তিনিটা শিতানত ভাগ কৰা হৈছে। ইয়াৰে শিশু শিতানত ৫০ হাজাৰ টকা পৰ্যন্ত, কিশোৰ শিতানত ৫ লাখ টকা পৰ্যন্ত আৰু তৰুণ শিতানত ১০ লাখ টকা পৰ্যন্ত ঋণ আগবঢ়োৱাৰ ব্যৱস্থা আছে।

বৰ্তমানলৈ মুদ্ৰা ঋণ গ্ৰহণ কৰা সকলৰ প্ৰায় ৭০ শতাংশই মহিলা আৰু ইয়াৰ জৰিয়তে তেওঁলোকক বিত্তীয় স্বাধীনতা প্ৰদান কৰি লিংগ সমতাৰ প্ৰতি বৰঙণি আগবঢ়োৱাটো সম্ভৱপৰ হৈ উঠিছে। শেহতীয়া সময়ছোৱাত ভাৰতৰ ক্ষুদ্ৰ উদ্যোগ তথা প্ৰতিষ্ঠানৰ সামগ্ৰিক দৃশ্যপটৰ ইতিবাচক পৰিৱৰ্তন সাধন কৰা এই মুদ্ৰা যোজনাৰ অধীনত ঋণ লাভ কৰাসকলৰ মাজৰ ৫০ শতাংশৰো অধিক প্ৰতিষ্ঠানেই অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ লোকৰ।

000000000

নৌসেনা কামাণ্ডাৰ সন্মিলন-২০২৫ ৰ প্ৰথম সংস্কৰণৰ দ্বিতীয় অংশ আজিৰে পৰা নতুন দিল্লীত আৰম্ভ হৈছে। চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এই সন্মিলনখন শীৰ্ষ পৰ্যায়ৰ আৰু দ্বিবাৰ্ষিক অনুষ্ঠান। এই সন্মিলত নৌসেনাৰ শীৰ্ষ বিষয়াসকলৰ মাজত কৌশলগত, কাৰ্য্যকৰী আৰু প্ৰশাসনিক বিষয়সমূহৰ সন্দৰ্ভত আলোচনা কৰা হ'ব। সন্মিলনত ভাৰত মহাসাগৰীয় অঞ্চলত নিৰাপত্তাৰ ক্ষেত্ৰত ভাৰতৰ গুৰুত্বপূৰ্ণ ভূমিকা প্ৰদৰ্শন কৰা হ'ব। আঞ্চলিক শান্তি, নিৰাপত্তা আদি বিভিন্ন ক্ষেত্ৰত ভাৰতীয় নৌসেনাৰ ভূমিকাও এই সন্মিলনত প্ৰচাৰ কৰা হ'ব। প্ৰতিৰক্ষা মুৰব্বী, সেনাপ্ৰধান আৰু বায়ুসেনাৰ মুৰব্বীয়ে নৌসেনাৰ অধিনায়কসকলৰ সৈতে সন্মিলনত আলোচনাত মিলিত হ'ব।

000000000

ৱক্‌ফ সংশোধনী বিধেয়কক কেন্দ্ৰ কৰি জম্মু আৰু কাশ্মীৰ বিধানসভাত আজি হুলস্থূলীয়া পৰিস্থিতিৰ উদ্ভৱ হয়। বিষয়টোক লৈ একাংশ সদস্যই উত্থাপন কৰা প্ৰশ্নকাল স্থগিতকৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ অধ্যক্ষই অস্বীকাৰ কৰাৰ পাছত উদ্ভৱ হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ ফলত আজি সদন স্থগিত ৰাখিবলগীয়া হয়। দিনটোৰ বাবে সদন মিলিত হোৱাৰ সময়তে নাজিৰ গুৰেজি আৰু তণৱীৰ ছাদিকৰ নেতৃত্বত নেচনেল কনফাৰেন্সৰ বিধায়কসকলে ৱক্‌ফ আইন সন্দৰ্ভত আলোচনা কৰাৰ

উদ্দেশ্যে সদনৰ প্ৰশ্নকাল স্থগিত ৰখাৰ দাবীৰে প্ৰস্তাৱ উত্থাপন কৰে। এই প্ৰস্তাৱৰ প্ৰতি নেচনেল কনফাৰেঞ্চ আৰু কংগ্ৰেছৰ লগতে কেইগৰাকীমান নিৰ্দলীয় বিধায়ককে ধৰি ৯গৰাকী সদস্যই সমৰ্থন আগবঢ়ায়। ইয়াৰ পাছতে সদনৰ নেতা সুনীল শৰ্মাৰ নেতৃত্বত বিজেপিৰ সদস্যসকলে এই প্ৰস্তাৱৰ বিৰোধিতা কৰে। এনে পৰিস্থিতিত বিধানসভাৰ অধ্যক্ষ আব্দুল ৰহিম ৰাথৰে সদনৰ নিয়মৰ উদ্ধৃতি দি কয়, যে বিধেয়কখন আদালতত প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াক লৈ স্থগিতকৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰিব পৰা নাযায়। আইনৰ বিবেচনাধীন হৈ থকা বিষয়টো সন্দৰ্ভত তেওঁ প্ৰশ্নকাল স্থগিতকৰণৰ অনুমতি দিব নোৱাৰে বুলি অধ্যক্ষগৰাকীয়ে মত প্ৰকাশ কৰাৰ লগে লগে স্থগিতকৰণৰ দাবীত অধিক সৰৱ হৈ নেচনেল কনফাৰেঞ্চ, কংগ্ৰেছ আৰু পি ডি পিৰ সদস্যসকলে সদনৰ মজিয়ালৈ উঠি আহি হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। এনে পৰিস্থিতিৰ মাজতে অধ্যক্ষগৰাকীয়ে সদন স্থগিত ৰখাৰ বিষয়ে ঘোষণা কৰে।

০০০০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **জল সংৰক্ষণৰ সমূহীয়া অভিযান** সন্দৰ্ভত গংগা পৰিষ্কৰণৰ ৰাষ্ট্ৰীয় অভিযানৰ প্ৰাক্তন সঞ্চালকপ্ৰধান জি অশোক কুমাৰৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকা সময়ত ০১১-২৩৪২-১০৫০ আৰু ০১১-২৩৩১-৪৪৪৪ নম্বৰত ফোন কৰি বৰষুণৰ পানী সঞ্চয়, দৈনন্দিন জীৱনত পানী সংৰক্ষণ আৰু পানী সংৰক্ষণৰ বাবে চৰকাৰৰ প্ৰচেষ্টাসমূহৰ সন্দৰ্ভত সমল ব্যক্তিগৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০-৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰাৰ লগতে সামাজিক মাধ্যম **এক্সত, হেছটেগ AskAir** ৰ জৰিয়তেও প্ৰশ্ন সুধিব পাৰিব।

০০০০০০

ফ্ৰান্সত অনুষ্ঠিত মণ্টে-কাৰ্ল' মাষ্টাৰ্ছ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ দ্বৈত শাখাত ভাৰতৰ ৰোহণ বোপান্নাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ বেন শ্বেল্টনৰ সৈতে প্ৰি কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰিছে। তেওঁলোকৰ যুটিটোৱে কালি অনুষ্ঠিত প্ৰথম ৰাউণ্ডৰ খেলত আৰ্জেণ্টিনাৰ ফ্ৰান্সিস্ক' ছেৰুণ্ড'ল' আৰু চিলিৰ এলেজাণ্ড্ৰ' টেবিল'ক ৬-৩, ৭-৫ ৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ ৪৫ বছৰ বয়সীয়া খেলুৱৈ বোপন্না আৰু আমেৰিকাৰ ২২ বছৰীয়া শ্বেল্টটন কাইলৈ হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ইটালীৰ যুটি ছিমন বলেলী আৰু এণ্ড্ৰিয়া ৱাৱছ'ৰীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাৰ আজি আবেলি হ'বলগীয়া প্ৰথম ৰাউণ্ডৰ এখন খেলত ভাৰতৰ ডাবলছ শাখাৰ প্ৰথম স্থানৰ খেলুৱৈ য়ুকি ভ্ৰাম্ব্ৰীয়ে তেওঁৰ অষ্ট্ৰেলিয়াৰ সহযোগী এলেক্সি পপীৰিনৰ সৈতে অংশগ্ৰহণ কৰিব। তেওঁলোক জাৰ্মেনীৰ জান লেনাৰ্ড ষ্ট্ৰাফ আৰু অষ্ট্ৰেলিয়াৰ এলেক্স ডে মিন'ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত আজি হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। হায়দৰাবাদত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত কালি নিশা গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০০০০০

সমাপ্ত